মুৰ্দা ব্যক্তিক কাফন কৰি যেতিয়া তৈয়াৰ কৰা হয়, আৰু মানুহে নিজৰ কান্ধত তুলি লয়, যদি শৱদেহটো নেক ব্যক্তিৰ হয়, তেতিয়া মুৰ্দাই কয়ঃ মোক সোনকালে লৈ যোৱা।

আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মুৰ্দা ব্যক্তিক কাফন কৰি যেতিয়া তৈয়াৰ কৰা হয়, আৰু মানুহে নিজৰ কান্ধত তুলি লয়, যদি শৱদেহটো নেক ব্যক্তিৰ হয়, তেতিয়া মুৰ্দাই কয়ঃ মোক
সোনকালে লৈ যোৱা। আনহাতে যদি অসৎ ব্যক্তিৰ হয়, তেতিয়া কয়ঃ হায় আফচোচ! ইহঁতে মোক
ক'লৈ লৈ গৈ আছে? মানুহৰ বাহিৰে তাৰ এই আৰ্তনাদ প্ৰত্যেকেই শুনিবলৈ পায়। যদি মানুহে
শুনা পালেহেঁতেন তেন্তে বেহুঁচ হৈ পৰিলহেঁতেন।" [ছহীহ] [(বুখাৰী)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, মুৰ্দাক যেতিয়া গা-গোছল কৰাই কাফন কৰি পাল্কীত ৰখা হয়, আৰু মানুহে কান্ধত তুলি লয়, যদি সেই মুৰ্দা ব্যক্তিজন নেক হয় তেন্তে কয়ঃ মোক সোনকালে লৈ যোৱা, কাৰণ তেওঁ সন্মুখত থকা নিয়ামতবোৰ দেখা পায়। পক্ষান্তৰে যদি মুৰ্দা ব্যক্তিজন অসৎ হয়, তেন্তে চিঞৰি চিঞৰি কয়ঃ হায় মোৰ ধ্বংস! মোক ক'লৈ লৈ যোৱা? কাৰণ সি সন্মুখত থকা শাস্তি দেখিবলৈ পায়। তাৰ এই চিঞৰ বাখৰ প্ৰত্যেকেই শুনা পায় কেৱল মানুহৰ বাহিৰে। যদি সিহঁতে শুনা পালেহেঁতেন তেন্তে ইয়াৰ বিকট শব্দ শুনি সিহঁত বেহুঁচ হৈ গ'লহেঁতেন।

http://sunnah.global/hadeeth/as/show/3554